**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-04-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ ডিফুত ১০০ কোটি টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত কেইবাটাও পথ উন্নয়ন আৰু দলং নিৰ্মাণ প্ৰকল্প অন্যতম। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ডিফুত প্ৰথমগৰাকী কাৰ্বি ৰজা আৰু ৰাণী ৰেংবংহ'মৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে পাহাৰীয়া জিলাখনলৈ যোৱা মুখ্যমন্ত্ৰী শৰ্মাই আজি লৰেন্যু ৰেঙমা গাঁও সমিতিৰ সভাপতি আৰু গাঁও প্ৰধানক সাক্ষাৎ কৰি ৰেঙমা সম্প্ৰদায়ৰ উন্নয়ন আৰু সৰ্বাংগীন বিকাশ সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পূৰ্বে তেওঁ ডিফুৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপী অতিথিশালাত  অসমৰ ভৈয়ামৰ কাৰ্বি সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অঞ্চলটোত সামগ্ৰিক উন্নয়ন আৰু স্থায়ী শান্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰি কাৰ্বি জনগোষ্ঠীৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই তাৰালাংচুত জিলাখনৰ পূৰ্বৰ সশস্ত্ৰ সংগঠন পি ডি চি কে, কে এল এন এল এফ, কে পি এল টি ডি, কে পি এল টি আৰ, কে পি এল টি এম আৰু ইউ পি এল এৰ প্ৰাক্তন সদস্যসকলৰ সৈতেও বৈঠকত মিলিত হয়। এই সংগঠনসমূহে ২০২১ চনত কেন্দ্ৰীয় চৰকাৰৰ সৈতে ঐতিহাসিক শান্তি চুক্তিত স্বাক্ষৰ কৰিছিল। মুখ্যমন্ত্ৰীয়ে সংগঠন কেইটাৰ প্ৰাক্তন সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে।

ooooooo

উচ্চতম ন্যায়ালয়ে ৱক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত  আজি পুনৰ শুনানি গ্ৰহণ কৰে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে গোচৰটোৰ শুনানি লৈ ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ, ৱকফ বোৰ্ড আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহক সাত দিনৰ ভিতৰত উত্তৰ দিবলৈ অন্তৰৱৰ্তী আদেশ জৰি কৰে। এই সময়ছোৱাত ৱকফ ব'ৰ্ডত কোনো সদস্যক নিযুক্তি দিব নোৱাৰিব বুলিও ন্যায়ালয়ে নিৰ্দেশত উল্লেখ কৰে। চৰকাৰে উত্তৰ দিয়াৰ ৫ দিনৰ ভিতৰত আবেদনকাৰীয়েও উত্তৰ দিব লাগিব বুলি জাননীত উল্লেখ কৰা হৈছে। এই গোচৰৰ পৰৱৰ্তী শুনানি ৫ মে'ত অনুষ্ঠিত হ'ব।

ooooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰে পৰা ২৪ এপ্ৰিললৈ দৰ্পণ নামভৰ্তি প'ৰ্টেল মুকলি কৰিছে। পৰিষদৰ সংমণ্ডল ২ৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিভিন্ন শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে www.darpan.ahseconline. in অথবা www.ahsec. assam.gov.in ৰ জৰিয়তে অনলাইন আবেদন দাখিল কৰিব পাৰিব। অনলাইন আবেদন দাখিলৰ পাছত ২৫ৰ পৰা ২৬ এপ্ৰিলৰ ভিতৰত শিক্ষানুষ্ঠানসমূহে যোগ্যতাৰ তালিকা আৰু অপেক্ষাৰত তালিকা প্ৰস্তুত কৰি ২৭ এপ্ৰিলত প্ৰকাশ কৰিব। শিক্ষাৰ্থীসকলে ২৭ৰ পৰা ২৯ এপ্ৰিলৰ ভিতৰত নিৰ্ধাৰিত

শিক্ষানুষ্ঠানত নামভৰ্তি কৰিব লাগিব। শিক্ষানুষ্ঠানসমূহে ৩০ৰ পৰা ১০ মে'ৰ ভিতৰত দৰ্পণ প'ৰ্টেলত শিক্ষাৰ্থীসকলৰ নামভৰ্তি নিশ্চিত কৰিব লাগিব। অৱশ্যে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত নামভৰ্তি কৰিব নোৱাৰা শিক্ষাৰ্থীসকলৰ বাবে ১০ মে'ৰ পূৰ্বে পুনৰ ৫ দিনৰ বাবে দৰ্পণ নামভৰ্তি প'ৰ্টেল মুকলি কৰি দিয়া হ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০০০

সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত যিসকল পৰিক্ষাৰ্থীয়ে ন্যূনতম তিনিটা বিষয়ত অনুত্তীৰ্ণ হৈছে আৰু অন্ততঃ মুঠ ১৭০ নম্বৰ লাভ কৰিছে সেইসকল পৰিক্ষাৰ্থীয়েহে এই কম্পাৰ্টমেণ্টেল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। এই সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ১ নম্বৰ সংমণ্ডলৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি অৱতীৰ্ণ হোৱা পৰিক্ষাৰ্থীসকলে উত্তীৰ্ণ হোৱাৰ বাবে ন্যূনতম ৩০ শতাংশ নম্বৰ লাভ কৰাৰ লগতে সৰ্বমুঠ ১৮০ বা ততোধিক নম্বৰ পাব লাগিব।

০০০০০০০

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। কিছু সময় পাছতেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। জিলা আয়ুক্তসকলে ভিন ভিন স্থানত স্থাপন হ'বলগীয়া ষ্ট্ৰং ৰুম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বিভিন্ন দিশ তথা কাম-কাজৰ বুজ লৈছে।

নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধি উলংঘাকে ধৰি পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় অভিযোগৰ বাবে প্ৰতিখন জিলাত এটা শুল্কবিহীন নম্বৰৰ ব্যৱস্থা কৰিছে। জনসাধাৰণে এই জিলাভিত্তিক নম্বৰসমূহত ফোন কৰি ওজৰ আপত্তি দাখিল কৰিব পাৰিব।

০০০০০০০

ৰাজ্যজুৰি ৰঙালীৰ উছাহ অব্যাহত আছে। সাতবিহুৰ চতুৰ্থ দিনটো আজি তাঁতৰ বিহু হিচাপে পালন কৰা হয়। সাদিনীয়া বিহুৰ শেষৰটো দিনত বিভিন্ন অঞ্চলত বিহু ভঙা উৎসৱ, পাৰতোলা বা ভঠেলী পালন কৰা হ'ব।

দেউৰী জনগোষ্ঠীৰ বসতিপ্ৰধান অঞ্চলসমূহত দেউৰীসকলৰ বসন্ত উৎসৱ ব'হাগীয় বিচুও কালিৰে পৰা সপ্তাহজুৰি পালন কৰা হৈছে। এই উৎসৱ উপলক্ষে কালি গোঁসানীশালত পূজা-অৰ্চনা আগবঢ়োৱাৰ পাছত ডেকা-গাভৰুসকলে একত্ৰিত হৈ নিশা দেউৰী বিহু পৰিবেশন কৰে। আজি পুৱা ডেকা-গাভৰুসকলে পৰম্পৰাগত বোকা খেলত ভাগ লয়। কৃষিজীৱি দেউৰীসকলে বিশ্বাস কৰে যে বোকা খেলৰ আন্দৰ সমানুপাতিকভাৱে কৃষিভূমিও উৰ্বৰা হয়। বোকা বিহু উপলক্ষে আজি ধেমাজি জিলাৰ বৰদলনি, গোগামুখ, শ্ৰীপানী, জোনাই আদি অঞ্চলত ব্যাপক উছাহ পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে দেউৰী জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগতভাৱে চ'ত মাহতেই বিহুতলী বা বিচুকলা স্থাপন কৰে। ইয়াৰ পাছত ব'হাগৰ প্ৰথমটো বুধবাৰৰ পৰা সপ্তাহজোৰাকৈ ইবাকু বিচু বা বসন্ত উৎসৱ পালন কৰা হয়।

০০০০০০০

**সমাপ্ত**